2007

ASSAMESE

FIFTH PAPER

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

প্ৰথমাৰ্দ্ধ

(*মূল্যাংক* : ৪০)

১। (ক) স্বাধীনতা-পূৰ্বৰ অসমীয়া চুটিগল্প সম্পৰ্কে এটি সমীক্ষাত্মক আলোচনা আগবঢ়োৱা। ১৪

অথবা

(খ) অসমীয়া ৰহস্যবাদী কবিতা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

অথবা

(গ) অসমীয়া কবিতাৰ ইতিহাসত অম্বিকাগিৰী ৰায়চৌধুৰীৰ স্থান নিৰূপণ কৰা।

২। (ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটকত নাটকীয় দ্বন্দ্বৰ ৰূপায়ণ কিদৰে ঘটিছে, ব্যাখ্যা কৰা। ১০

অথবা

(খ) ৰজনীকান্ত বৰদলৈৰ 'ৰহদৈ লিগিৰী' উপন্যাসত ইতিহাসৰ সমল নিৰ্দেশ কৰি কল্পনাৰ পৰিসৰ ফঁহিয়াই দেখুওৱা।

৩। চমু উত্তৰ লিখা (যি কোনো তিনিটা) : ২×৩=৬

(ক) ৰঘুনাথ চৌধাৰীৰ দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(খ) 'জীৱনৰ বাটত' উপন্যাসৰ দুটি নাৰী চৰিত্ৰৰ নাম লিখা।

(গ) ছনেট বুলিলে কি বুজা ?

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'তত্ত্বকথা'ৰ অন্তৰ্গত দুটি প্ৰবন্ধৰ নাম লিখা।

৪। চমুকৈ লিখা (যি কোনো দুটা) : ৫×২=১০

(ক) সগুণ আৰু নিৰ্গুণ তত্ত্ব

(খ) 'জীৱনৰ বাটত' উপন্যাসত নিয়তি

(গ) নাটকীয় স্বগতোক্তি

দ্বিতীয়ার্দ্ধ

(মূল্যাংক : ৪০)

৫। (ক) হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাত আধুনিক কবিতাৰ লক্ষণসমূহৰ ৰূপায়ণ কিদৰে হৈছে, ফঁহিয়াই দেখুওৱা। ১৪

অথবা

(খ) আধুনিক কবিতাত ভাষাই কিদৰে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে, অসমীয়া কবিতাৰ পোহৰত বিচাৰ কৰা।

৬। (ক) নিৰ্মলপ্ৰভা বৰদলৈৰ 'এমুঠি কবিতা'ৰ আলমত কবিগৰাকীৰ ভাব-ভাষা-আংগিকৰ এটি বিশ্লেষণ আগবঢ়োৱা। ১০

অথবা

(খ) নীলমণি ফুকনৰ 'ওলমি থকা গোলাপী জামুৰ লগ্ন'ত মানৱ-মনৰ কেতবোৰ অনুভূতিয়ে কিদৰে কাব্যিক ৰূপ লাভ কৰিছে, দেখুওৱা।

অথবা

(গ) বাণীকান্ত কাকতিৰ 'কবিৰ অহৈতুকী প্ৰীতি'ত প্ৰকাশিত অতীন্দ্ৰিয় প্ৰেমৰ আভাস দিয়াৰ লগতে কাকতিৰ গদ্যশৈলীৰ বিশিষ্টতা প্ৰদৰ্শন কৰা।

৭। যি কোনো দুটা বিষয়ৰ ওপৰত টোকা লিখা : ৫×২=১০

(ক) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পৰ বৈশিষ্ট্য

(খ) ৰমা দাশৰ 'অবুজ মায়া'ত বয়ঃসন্ধিৰ চেতনা

(গ) 'কেঁচা পাতৰ কঁপনি'ৰ উৎপল চৰিত্ৰ

৮। চমু উত্তৰ দিয়া : ২×৩=৬

(ক) প্ৰফুল্ল দত্তগোস্বামীৰ দুখন উপন্যাসৰ নাম লিখা।

(খ) ৰাম গগৈৰ কবিতাৰ প্ৰধান বিশিষ্টতা কি ?

(গ) নৱকান্ত বৰুৱাৰ দুখন উপন্যাসৰ নাম লিখা।

★★★